NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। দেশৰ ১০২টা লোকসভা সমষ্টিৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি ৰাজ্যৰ তিনিখন ৰাজহুৱা সভাত ভাগ লয়।

৩। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কেৰালাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে।

৪। চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এইটো পৰ্যায়ত অহা ১৩ মে'ত দেশৰ ৯ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬ টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছণ্ডিগড়ত হ'বলগীয়া খেলত পাঞ্জাৱ কিংছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। দেশৰ ১০২টা লোকসভা সমষ্টিৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰ ভিতৰত অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত ১১ খন আসন আৰু অনুসূচীত জাতিৰ বাবে সংৰক্ষিত ১৮ খন আসন আছে। এই পৰ্যায়ত দেশৰ ১৭খন ৰাজ্যত ভোটগ্ৰহণ কৰা হ'ব। অসমতো প্ৰথম পৰ্য্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই পৰ্যায়ত সামৰি ল'বলগীয়া অসমৰ ৫টা সমষ্টিৰ বাবে ইভিএম, বেলট পেপাৰ আৰু অন্যান্য সামগ্ৰীসহ নিৰ্বাচনী বিষয়াসকল আজি ভোটগ্ৰহণৰ কেন্দ্ৰসমূহলৈ ৰাওনা হৈছে। প্ৰথম পৰ্যায়ত ৩৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। কাইলৈ ১০ হাজাৰটা ভোটগ্ৰহণ কেন্দ্ৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যিক আৰক্ষীৰ নডেল বিষয়া প্ৰশান্ত কুমাৰ ভূঞাই জনোৱা অনুসৰি এই পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ১৪ খন জিলাত কেন্দ্ৰীয় অৰ্ধ-সামৰিক বাহিনীৰ ১০৬টা কোম্পানীক মোতায়েন কৰা হৈছে। তেওঁ কয় যে, অপ্ৰীতিকৰ পৰিস্থিতি ৰোধ কৰাৰ উদ্দেশ্যে ইতিমধ্যে আন্তঃৰাজ্যিক সীমান্তসমূহ বন্ধ কৰি দিয়া হৈছে। শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত কেন্দ্ৰীয় সামৰিক বাহিনীৰ কোম্পানী মোতায়েন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। ৫ হাজাৰ ৫০০টা অতি স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰত ৱেব কাষ্টিঙৰো ব্যৱস্থা কৰা হৈছে। এই পৰ্যায়ত ৮৬ লাখতকৈও অধিক ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইপিনে এই পৰ্যায়ৰ বাবে কেৱল মহিলা আৰু দিব্যাংগ বিষয়াই পৰিচালনা কৰিবলগীয়া ১১টা ভোটগ্ৰহণ কেন্দ্ৰও সাজু কৰি তোলা হৈছে।

সকলো ভোটগ্ৰহণ কেন্দ্ৰতে খোৱা পানী, শৌচাগাৰ, জিৰণি ল'বৰ বাবে আশ্ৰয় গৃহ আদিৰ দৰে ন্যূনতম সা-সুবিধাসমূহৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০

কোকৰাঝাৰ সংসদীয় সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত কোকৰাঝাৰ গ্ৰীন ফিল্ডত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত ভাষণ দি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অঞ্চলটোত দশক দশক জুৰি চলি থকা অশান্তিৰ পৰিবেশৰ অন্ত পৰিছে বুলি মত প্ৰকাশ কৰে। শ্ৰী নাড্ডাই লগতে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শক্তিশালী সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে আৰু তেওঁৰ নেতৃত্বতে বড়ো শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ লগতে সমগ্ৰ বড়োলেণ্ড স্বায়ত্ব শাসিত অঞ্চলত শান্তি আৰু উন্নয়নৰ পথ প্ৰশস্ত হৈছে। হিংসা আৰু অশান্তিৰ বাবে পৰিচিত এই অঞ্চলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবেই শান্তি আৰু উন্নয়নৰ আদৰ্শ দাঙি ধৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰি কেন্দ্ৰীয় চৰকাৰে শান্তি চুক্তি অনুসৰি উন্নয়নমূলক কামৰ বাবে ১৫০০ কোটি টকাৰ আৱণ্টন দিছে বুলিও বিজেপিৰ সভাপতিগৰাকীয়ে প্ৰকাশ কৰে। এই সময়ছোৱাত এহেজাৰতকৈও অধিক উগ্ৰপন্থীয়ে আত্মসমৰ্পন কৰিছে বুলিও তেওঁ কয়। এই অঞ্চটোৰ ক্ষেত্ৰত দেখুওৱা অৱহেলা আৰু বিভাজনমূলক নীতিৰ বাবে শ্ৰী নাড্ডাই কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি কয় যে বিজেপিয়ে সৰ্বাংগীন উন্নয়ন বিশ্বাস কৰে। শ্ৰী নাড্ডাই আজি অসমত আন দুখন জন সমাবেশকো সম্বোধন কৰে। তেওঁ দৰং-ওদালগুৰি সংসদীয় সংষ্টিৰ বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ ৰৌতাৰ দণ্ড চহৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ৰাজহুৱা সভাত ভাগ লয়। ইপিনে তৃতীয় খন জনসমাবেশত শ্ৰী নাড্ডাই দুধনৈ খেলপথাৰত গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলায়।

দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজ্যখনত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কৰিমগঞ্জত দলৰ প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ কৰিমগঞ্জত উন্নয়নৰ ধাৰা অটুট ৰাখিবলৈ সকলোকে প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়।

০০০০০০০০

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি কেৰেলাত এখন জনসভাত ভাষণ দি কৈছে যে, বিজেপিয়ে কৃষিজাত সামগ্ৰীসমূহৰ মূল্যক অস্ত্ৰ হিচাপে কৃষকসকলৰ বিৰুদ্ধে ব্যৱহাৰ কৰিছে। কেন্দ্ৰীয় চৰকাৰে আমদানি-ৰপ্তানিৰ নীতিসমূহ সলনি কৰাৰ ফলত কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহৰ উচিত মূল্য পোৱাৰ পৰা বঞ্চিত হৈছে বুলি কংগ্ৰেছ নেতাজনে অভিযোগ কৰিছে। বিজেপিয়ে বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান হস্তগত কৰিছে বুলিও ৰাহুল গান্ধীয়ে কন্নুৰত অনুষ্ঠিত ৰাজহুৱা সভাখনত উল্লেখ কৰিছে। তেওঁ কৈছে যে, পৰ্যাপ্ত পৰিমাণে বেংকৰ ধনৰ সুবিধা নোপোৱাৰ বাবে দেশত ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়সমূহে বিকাশ লাভ কৰিব পৰা নাই। কংগ্ৰেছ ক্ষমতালৈ আহিলে দৰিদ্ৰ মহিলাসকলে ঘৰত কৰা কামৰ বিনিময়ত মাহে ৮ হেজাৰ ৫০০ টকাকৈ পাব বুলি ৰাহুল গান্ধীয়ে প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কংগ্ৰেছ নেতাগৰাকীয়ে লগতে কৈছে যে, মহিলাৰ বাবে ৫০ শতাংশ চাকৰি সংৰক্ষণৰ নিশ্চয়তা প্ৰদান কৰা বিধেয়ক, এপ্ৰেণ্টিচশ্বীপ-বিল উত্থাপন কৰিব আৰু কৃষকসকলক আন আন বস্তুসমূহতো ন্যূনতম সমৰ্থন মূল্য নিশ্চিত কৰিব।

০০০০০০০০

চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এইটো পৰ্যায়ত অহা ১৩ মে'ত দেশৰ ৯ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬ টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। প্ৰাৰ্থীসকলে ২৫ এপ্ৰিললৈকে মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন হৈছে ২৯ এপ্ৰিল। ইয়াৰ সমান্তৰালকৈ অন্ধ্ৰপ্ৰদেশৰ ১৭৫ খন আসনৰ বাবে হ'বলগীয়া একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচন আৰু ওড়িশাৰ ২৮টা সমষ্টিৰ বাবে হ'বলগীয়া প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবেও অধিসূচনা জাৰি কৰা হ'ব। কাইলৈ লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ অন্ত পৰিব। এই পৰ্যায়ত অহা ৭ মে'ত ১০ খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪ খন সংসদীয় আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

oooooooo

অহা ২৬ এপ্ৰিলত হ'বলগীয়া লোকসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকাত কেৰালাত তিনিটা দলৰ ৰাষ্ট্ৰীয় নেতাই পূৰ্ণ গতিত নিৰ্বাচনী প্ৰচাৰ চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ৰাজনাথ সিঙে আজি ক'ল্লামত এখন নিৰ্বাচনী সভাত উপস্থিত থাকে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কাইলৈ এন ডি এৰ প্ৰাৰ্থী তুষাৰ ভেল্লাপপেল্লীৰ হৈ এখন নিৰ্বাচনী সভাত ভাগ ল'ব। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি পালাক্কড় আৰু কোট্টায়মত নিৰ্বাচনী প্ৰচাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েছুৰীয়ে ক'ড়িক'ডত ৰাজহুৱা সভাত উপস্থিত থাকে। চি পি আইৰ সাধাৰণ সম্পাদক ডি ৰাজায়ো ৰাজ্যখনত নিৰ্বাচনী সভাত ভাগ লয়।

oooooooo

নিৰ্বাচন আয়োগে আজি অন্ধ্ৰ প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ ১৭৫ খন আসনৰ বাবে অধিসূচনা জাৰি কৰিছে। অধিসূচনা জাৰি কৰাৰ লগে লগে ৰাজ্যখনত মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। মনোনয়ন দাখিলৰ অন্তিম তাৰিখ অহা ২৫ এপ্ৰিল। ২৬ এপ্ৰিলত মনোনয়ন পত্ৰৰ পুনৰীক্ষণ হ'ব আৰু ২৯ এপ্ৰিলত প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ অন্তিম দিন। অন্ধ্ৰ প্ৰদেশে লোকসভাৰ ২৫ খন আসন আৰু বিধানসভাৰ ১৭৫ খন আসনৰ বাবে অহা ১৩ মে'ত একক পৰ্যায়ত ভোটদান কৰিব। লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ অহা ৪ জুনত ভোট গণনা সম্পন্ন হ'ব।

ৱাই এছ্ আৰ কংগ্ৰেছ পাৰ্টী আৰু টেলেগু দেশম পাৰ্টী-ভাৰতীয় জনতা পাৰ্টী-জনসেনা পাৰ্টী মিত্ৰজোঁটৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে ইতিমধ্যে বিভিন্ন সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিছে।

oooooooo

টেলেংগানাত অহা ১৩ মে'ত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ মনোনয়ন প্ৰক্ৰিয়া আজি পুৰা আৰম্ভ হৈছে। ৰাজ্যখনৰ ১৭টা লোকসভা সমষ্টি আৰু বিধানসভাৰ এখন আসনৰ উপ-নিৰ্বাচনৰ বাবে ২৫ এপ্ৰিললৈকে মনোনয়ন প্ৰক্ৰিয়া চলি থাকিব। প্ৰাক্তন মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ই ৰাজেন্দৰ আৰু প্ৰাক্তন বিধায়ক ৰঘুনন্দন ৰাৱে আজি পুৱা মনোনয়ন পত্ৰ দাখিল কৰে। মল্কজ গীৰি সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰাৰ পূৰ্বে ৰাজেন্দৰে অনুষ্ঠিত কৰা সমাৰেশত কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰী আৰু জি কিষাণ ৰেড্ডীয়ে অংশগ্ৰহণ কৰে। আনফালে ৰঘুনন্দন ৰাৱে মেদাক সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। আন আন দলৰ সদস্য সকলেও বিভিন্ন সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিয়ে।

oooooooo

আই পি এল ক্রিকেট প্রতিযোগিতাৰ আজি ছণ্ডিগড়ত হ'বলগীয়া খেলত পাঞ্জাৱ কিংছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে গুজৰাট টাইটানছক ৬ উইকেটত পৰাস্ত কৰে। ৯০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দেলহি কেপিটেলছে ৮ অ'ভাৰ আৰু ৫টা বলত ৪টা উইকেট হেৰুৱাই ৯২ ৰান কৰে। ঋষভ পণ্টক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০০০০

সমাপ্ত